Name of Borrower(S) and (Co-borrower(S)	**Mr. RAJINDER SINGH AND Mrs. MUKESH RANI**
Loan Account No.	**DBLACHK00484230**
Total Outstanding Amount.	**Rs.9,14,482.47/-** (Rupees Nine Lakh Fourteen Thousand Four Hundred Eighty Two and Forty Seven Paisa Only) as on 24th July, 2025
Description of the Immovable Property	All The Piece & Parcel Of Plot Admeasuring 1161 Sq Ft Comprised In Khewat No 1322 Khatoni No 1569 Rect No 138 Hadbast No 12 Situated At Vill: Cheeka Teh: Guhla Dist: Kaithal Cheeka
2	**Symbolic Possession Date – 26th November,2025**
Demand Notice Dated	**07-01-2025**
Name of Borrower(S) and (Co-borrower(S)	**Mr. RIYAJUDIN AND Mrs. FARZANA**
Loan Account No.	**DRHLYAM00569368**
Total Outstanding Amount.	**Rs.11,15,024/-** (Rupees Eleven Lakh Fifteen Thousand Twenty Four Only) as on 7th January 2025
Description of the Immovable Property	All The Piece & Parcel Of Plot No 50 Admeasuring 139 Sq Gaj Comprised In Khasra No 98//26 Khewat No 725 Khatoni No 806 Situated At Vill: Chhachhrauli Dist Yamuna Nagar Bounded By. Towards North: Road, Towards South: Property Of Others, Towards East: Plot No 49, Towards West: Property Of Others. (The Secured Assets)
3	**Symbolic Possession Date – 27th November,2025**
Demand Notice Dated	**10-09-2025**
Name of Borrower(S) and (Co-borrower(S)	**Mr. Ashish Ashish, Mrs. Anita Anita and Mrs. Jyoti Rani W/o Mr.Ashish Ashish**
Loan Account No.	**DRBLSOI00561037**
Total Outstanding Amount.	**Rs.23,84,765/-** (Rupees Twenty Three Lakh Eighty Four Thousand Seven Hundred Sixty Five Only) as on 10th September, 2025
Description of the Immovable Property	All Piece And Parcel Of Plot Measuring 0-4 Biswas I.E 222 Sq.Yds Admeasuring East To West 40 Ft And North To South 50 Ft 4/25 Share Out Of Total Land Measuring 1 Bigha 5 Biswa, Comprised In Khewat No.47/45 Min Khata No.58 Comprised In Khasra No.2398/1966/1499(0-3),1503/922(1-0),2400/1961/1499(0-2) Situated In The Revenue Estate Of Village Kalupur In The Abadi Of Kailash Colony With In M.C Limits Sonipat Tehsil & Dist,Sonipat. Bounded By. East-Plot Of Other, West-Gali, North-Plot Of Other, South-Gali, (The Secured Asset)
4	**Symbolic Possession Date – 27th November,2025**
Demand Notice Dated	**08-07-2025**
Name of Borrower(S) and (Co-borrower(S)	**Mr. Satish Kumar S/o Mr. Krishan Kumar, Mrs. Jyoti, Mr. Pawan Kumar S/o Mr. Krishan Kumar, Mrs. Neelam W/o Mr. Satishkumar and Mrs. Gulabo W/o Mr. Krishan Kumar**
Loan Account No.	**DRBLSOI00585131**
Total Outstanding Amount.	**Rs.44,13,995/-** Rupees Forty Four Lakhs Thirteen Thousand Nine Hundred Ninety Five Only) as on 07th July, 2025
Description of the Immovable Property	All The Piece & Parcel Of House Admeasuring 171 Sq Yards Or 5 Marla 5 Sarsai Being Share 1/30 Out Of Land Admeasuring 8 Kanal 8 Marla Comprised In Killa No 205//12 Carved Out Of Khewat No. 137 Min. And Khata No. 145 Min. Situated At Gohana Abadi Dariyapur Dist: Sonipat. **Bounded** As Under: Towards East: Passage, Towards West: Property Of Others, Towards North: Plot Of Others, Towards South: Plot Of Japan. (The Secured Assets)

Date: 02-12-2025,
Place: Kaithal, Yamuna Nagar, Sonipat.

FOR DCB BANK LTD,
AUTHORISED OFFICER

বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম সমষ্টিত মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ পুঁজি বিতৰণ মন্ত্ৰী ৰণজিত দাসৰ

দৈনন্দিন বাৰ্তাৰ সেৱা, কোকিলা, ১ ডিচেম্বৰ ঃ মহিলাসকলক আৰ্থিকভাৱে স্বাৱলম্বী কৰাৰ প্ৰয়াসেৰে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ অধীনত আত্মসহায়ক গোটৰ সদস্যাসকলক চেকযোগে পুঁজি বিতৰণ কৰাৰ ব্যৱস্থা কৰিছে। এই অভিযানৰ অধীনত বঙাইগাঁও জিলাৰ বঙাইগাঁও বিধানসভা সমষ্টি আৰু অভয়াপুৰী সমষ্টিত মহিলা উদ্যমিতাৰ পুঁজিৰ চেক বিতৰণ কৰাৰ পিছত আজি অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, পৰ্যটন, আইন আৰু ন্যায়, সাধাৰণ প্ৰশাসন বিভাগ তথা বঙাইগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী ৰণজিত কুমাৰ দাসে আজি সৃজনগ্ৰাম বিধানসভা সমষ্টিত মহিলা উদ্যমিতাৰ পুঁজিৰ চেক বিতৰণৰ শুভাৰম্ভ কৰে। সৃজনগ্ৰাম সমষ্টিৰ শ্ৰীশ্ৰীলুঙাই পাহাৰ শিৱ পূজা মেলা পথাৰত আজি আনুষ্ঠানিকভাৱে মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ অধীনত মুঠ ২৭৪৩টা আত্ম-সহায়ক গোটৰ সৰ্বমুঠ ১৮,১,৮৭ সদস্যাক চেক বিতৰণৰ শুভাৰম্ভ কৰে মন্ত্ৰী ৰণজিত দাসে। মন্ত্ৰী ৰণজিত দাসে ভাষণ প্ৰসংগত কয় যে অসমৰ উদ্যমী মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসমখনক দেশৰ শ্ৰেষ্ঠ পাঁচখন ৰাজ্যৰ ভিতৰত এখন হিচাপে গঢ়ি তুলিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছে। এই ক্ষেত্ৰত মহিলাসকলক আগবঢ়াই নিয়াটো অতি জৰুৰী বুলি উপলব্ধি কৰিয়েই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মহিলাসকলক আত্মনিৰ্ভৰ কৰিবলৈ বিভিন্ন আঁচনি গ্ৰহণ কৰি আহিছে বুলি মন্ত্ৰী ৰণজিত দাসে ভাষণত উল্লেখ কৰে। লগতে তেওঁ কয় যে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েই মহিলাসকলক আত্মনিৰ্ভৰ কৰি তুলিবলৈ নিত্য-নতুন আঁচনি গ্ৰহণ কৰি আহিছে। দুখীয়া-নিছলা মহিলাসকলক প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰ দিছে, সৌভাগ্য আঁচনিৰ অধীনত বিনামূলীয়া বিদ্যুৎ সংযোগ দিছে, উজ্জ্বলা যোজনাৰ অধীনত ৰন্ধন গেছ সংযোগ দিছে, বিনামূলীয়া পায়খানা দিছে বুলিও তেওঁ কয়। আমাৰ দেশখনক বিশ্ব গুৰুৰ আসনত বহুৱাবলৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুখীয়া লোক, নাৰীসকল, কৃষক আৰু যুৱক-যুৱতীসকলক সমানেই আগবঢ়াই নিবলৈ তেওঁৰ বাবে উন্নয়নমূলক আঁচনি হাতত লৈছে। মন্ত্ৰী ৰণজিত দাসে তেওঁৰ ভাষণত আৰু কয় যে দুখীয়া কৃষকসকলৰ উৎপাদিত ধান নিম্নতম সমৰ্থিত মূল্যত চৰকাৰে ক্ৰয় কৰিছে। আনহাতে, কৃষকসকলে উৎপাদন কৰা সৰিয়হো চৰকাৰে নিৰ্ধাৰিত মূল্যত ক্ৰয়ৰ ব্যৱস্থা কৰিছে। বঙাইগাঁৱৰ অভিভাৱক মন্ত্ৰী ৰণজিত দাসে আৰু কয় যে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মহিলাসকলক ঋণমুক্ত কৰিবলৈ ক্ষুদ্ৰ ঋণ মাফ কৰি দিয়াৰ নামত ১৬শ কোটি টকা ব্যয় কৰিছে। মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ ধন উৎপাদনক্ষম কামত ব্যৱহাৰ কৰিবলৈ কৈ অভিভাৱক মন্ত্ৰী দাসে আৰু কয় যে এই ১০ হাজাৰ টকা কি কি উৎপাদনক্ষম কামত মহিলাসকলে ব্যৱহাৰ কৰিলে তাৰ হিচাব চৰকাৰক দিব লাগিব। যদিহে মহিলাসকলে মহিলা উদ্যমিতাৰ পুঁজি ব্যৱহাৰ কৰি আয় সৃষ্টি কৰিব পাৰে তেনেহ'লে পৰৱৰ্তী পৰ্যায়ত মহিলাসকলে ২৫ হাজাৰ টকা লাভ কৰিব। এনেদৰে পৰ্যায়ক্ৰমে মহিলাসকলক পুঁজি প্ৰদান কৰি চৰকাৰে লাখপতি বাইদেউ গঢ়ি তুলিবলৈ পদক্ষেপ গ্ৰহণ কৰিছে। আজি মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা অভিযানৰ চেক বিতৰণ অনুষ্ঠানত আদৰণী ভাষণ দিয়ে বঙাইগাঁও জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অনুপম ডেকাই। অনুষ্ঠানত সমাজকৰ্মী উজ্জ্বল কান্তি ৰায় আৰু প্ৰাক্তন বিধায়ক ভূপেন ৰায়েও বক্তব্য আগবঢ়ায়। আজিৰ অনুষ্ঠানত বঙাইগাঁও জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক মোহনলাল মীনা, অভয়াপুৰী সমজিলাৰ আয়ুক্ত শান্তা কাৰ্কী ছেত্ৰী, কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য জীৱেশ ৰায়, অভয়াপুৰী পৌৰ সভাৰ পৌৰপতি সুশান্ত পোদ্দাৰ আদি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

গুৱাহাটীৰ ৰূপনগৰত বুদ্ধিমত্তাসম্পন্ন পৰিবহণ ব্যৱস্থাপনা ব্যৱস্থা (আইটিএমএছ), এএছটিচিৰ ইণ্টিগ্ৰেটেড কমাণ্ড এণ্ড কণ্ট্ৰ'ল চেণ্টাৰ ফৰ ইনটেলিজেণ্ট ট্ৰেন্সপৰ্ট মেনেজমেণ্ট ছিষ্টেম (আইটিএমএছ) উন্মোচনৰ সময়ত অধ্যক্ষ পল্লৱ লোচন দাস

কোচ ৰাজবংশীৰ মাজত বিভাজনৰ বীজ ৰোপণ কৰিবলৈ উঠিপৰি লাগিছে একাংশ চক্ৰ-ক্ৰানছু

দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ১ ডিচেম্বৰ ঃ অসম বিধানসভাত ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰতিবেদনখন ২৯ নৱেম্বৰত দাখিল হোৱাৰ পিছৰে পৰাই একাংশ চক্ৰই মুকলিকৈ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিৰোধিতা তীব্ৰতৰ কৰাৰ লগতে কোচ ৰাজবংশীৰ মাজত বিভাজনৰ বীজ ৰোপণ কৰিবলৈ উঠিপৰি লাগিছে বুলি অভিযোগ কৰিছে কোচ ৰাজবংশী জাতীয় ছাত্ৰ সন্থা (ক্ৰানছু) ই। এই সন্দৰ্ভত এক প্ৰেছ বিবৃতিত ক্ৰানছুৰ সভাপতি হৃদয় কুমাৰ ৰায়ে উল্লেখ কৰে যে কোচ ৰাজবংশীৰ মাজত বিভাজনৰ লক্ষ্যৰে শেহতীয়াকৈ বিটিচিয়ে কোচ আৰু ৰাজবংশীৰ নামত সুকীয়াকৈ দুগৰাকী ব্যক্তি হেমপ্ৰভা দেৱী আৰু কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী পাৰিষদ কৰ্মেশ্বৰ ৰায়ক মনোনীত এমচিএলএৰূপে ঘোষণা কৰাৰ লগতে শপত গ্ৰহণ কৰায়। সেয়ে এই ভাঙোনমুখী কাৰ্যক কোচ ৰাজবংশী জাতীয় ছাত্ৰ সন্থা (ক্ৰানছু)ই গৰিহণা দিয়াৰ লগতে সকলো পক্ষকে এনে ধৰণৰ কাৰ্যকলাপৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে। কাৰণ এনে ধৰণৰ কাৰ্যকলাপে কোচ ৰাজবংশীৰ জনজাতিকৰণৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি কৰিব আৰু সেয়াই একাংশই মনে-প্ৰাণে বিচাৰে বুলি উল্লেখ কৰি সভাপতিগৰাকীয়ে কয় যে আমি সকলোৱে জানো কোচ ৰাজবংশী এটাই জনগোষ্ঠী বুলি ভাৰতৰ সংবিধান, আৰ জি আইৰ লগতে সংসদৰ চিলেক্ট কমিটীয়ে ইতিমধ্যে উল্লেখ কৰিছে। ক্ৰানছুয়ে মনোনীত এম চি এল এ কৰ্মেশ্বৰ ৰায় আৰু হেমপ্ৰভা দেৱীক ৪৮ ঘণ্টাৰ ভিতৰত নিজৰ জনগোষ্ঠীয় পৰিচয় প্ৰমাণ-পত্ৰৰ লগতে তেওঁলোকে ভোটদান কৰা ভোট কেন্দ্ৰৰ নাম ৰাজহুৱা কৰিবলৈ আহ্বান জনাই তেওঁলোক কোন জনগোষ্ঠীৰ প্ৰতিনিধি সেয়া ৰাইজৰ আগত স্পষ্ট কৰিব লাগিব বুলিও কয়। তদুপৰি কৰ্মেশ্বৰ ৰায় কামতাপুৰ স্বায়ত্তশাসিত পৰিষদৰো এগৰাকী কাৰ্যবাহী পাৰিষদ। গতিকে এগৰাকী ব্যক্তি কেনেকৈ দুখন সুকীয়া পৰিষদৰ দায়িত্বত থাকিব পাৰে বুলি প্ৰশ্ন উত্থাপন কৰি এয়া দুয়োখন পৰিষদৰে আইন উলংঘা কৰা নাইনে বুলিও কয়। লগতে জাতিতকৈ কোনো ব্যক্তি ঊৰ্দ্ধত হ'ব নোৱাৰে বুলিও বিবৃতিটোত উল্লেখ কৰি ব্যক্তিগত স্বাৰ্থ পূৰণৰ বাবে জনগোষ্ঠী এটাৰ মাজত বিভাজনৰ ৰাজনীতি ক্ৰানছুৱে কেতিয়াও কাম্য নকৰে বুলিও কয়। সেয়েহে ৪৮ ঘণ্টাৰ ভিতৰত তেওঁলোকে যদি এই আহ্বানৰ প্ৰতি সঁহাৰি নজনায়, তেন্তে ক্ৰানছুয়ে তেওঁলোকৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য হ'ব বুলিও সভাপতি হৃদয় কুমাৰ ৰায়ে বিবৃতিটোত উল্লেখ কৰিছে।

নাগালেণ্ডত কয়লা খননত গেলেকীত প্ৰদূষণৰ ভয়াৱহ পৰিণতি

কয়লাৰ খননত সুৰক্ষা নীতিৰ প্ৰয়োগ নাই

দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ১ ডিচেম্বৰ ঃ নাজিৰা সমজিলাৰ গেলেকী অঞ্চল এতিয়া ভয়ানক প্ৰদূষণৰ কবলত। ৰাইজৰ চকুৰ আগতেই পোত গৈ নিঃশেষ হ'ল তিনিখনকৈ নদী। ইয়াৰ পৰিণতি এতিয়া অতি ভয়াৱহ। নিজৰ ম্যাদী পট্টাৰ ভূমি থাকিও এতিয়া এমুঠি ধান আৰু ঘৰৰ এমুঠি চাউলৰ অভাৱ হ'ল নদীপৰীয়া কৃষকৰ। নিজৰ এনে হাহাকাৰ পৰিস্থিতিত কেৱল যে ধান আৰু চাউলকেইটাৰ প্ৰাপ্তিহে যে হেৰাল এয়াই কেৱল নহয়। হেৰাই গ'ল বাৰীৰ লাই, লফা, পালেং শাকৰ খেতি। এনেহেন পৰিস্থিতিৰ মাজত খোদ খৰালিৰ দিনত হোৱা বৰষুণ জাকৰ প্ৰভাৱতে বুৰি উঠে গঞা ৰাইজৰ পদূলি, চোতাল, বহু সময়ত গৃহস্থ ঘৰ এৰি অন্য ওখ স্থানত আশ্ৰয় ল'বলৈ ঢাপলি মেলা নতুবা নিজা ঘৰ এৰি ভাৰাঘৰ বিচাৰি ওলোৱাৰ পৰিস্থিতি হয়গৈ। বাৰিষা কালছোৱাত প্ৰায় তিনি মাহ ধৰি চলি ৰোৱা বানপানী গেলেকীৰ সহজাত দৃশ্য হৈ পৰিল। আশ্চৰ্যজনক এই পৰিস্থিতিত সততে প্ৰশ্ন হয় যে গেলেকীত এনে অনাকাংক্ষিত পৰিৱেশ কিয়? ঘাইকৈ নদীপৰীয়া মানুহ হিচাপে দিখৌ দিচাং ব্ৰহ্মপুত্ৰৰ বাঢ়নি পানীৰ প্ৰভাৱ অসমৰ সেই নদী কাষৰীয়া মানুহৰ বাবে চিনাকি। ইফালে নগাৰাজ্যৰ সীমান্ত স্পৰ্শ কৰি ৰোৱা নগা পাহাৰৰ কাষৰীয়া শিৱসাগৰ জিলাৰ এই দক্ষিণ-পূব কোণত অৱস্থিত গেলেকী ওখ ঠাই হৈয়ো তিনিখনকৈ নদীয়ে পানীৰ ধল বোৱাই নিব নোৱৰা অৱস্থা। নদীৰ গভীৰতা পথাৰৰ সৈতে সমান হ'ল। গেলেকীৰ সাৰুৱা ভূমিৰ শস্য হিচাপে ধান, মাহ, সৰিয়হ, কুঁহিয়াৰৰ বিস্তৃত উৎপাদন হ্ৰাস হৈ অহাৰ গুৰিতে ইয়াৰ মাটিকালি সামৰি সম্প্ৰসাৰিত হোৱা অ'এনজিচিৰ অসংখ্য তৈলখাদ আৰু তৈলখাদে এৰি থৈ যোৱা পৰিত্যক্ত বিশাল ভূমিও অন্যতম। ইফালে বছৰৰ পিছত বছৰ ধৰি অসুৰক্ষিতভাৱে নগা পাহাৰৰ বুকুত চলোৱা কয়লাৰ খননে গেলেকীৰ পথাৰ মৰুভূমিত পৰিণত কৰাৰ উপক্ৰম কৰিছে । গেলেকী মৰাণ গাঁৱৰ কৃষক ৰঞ্জিত মৰাণে কয়— 'নিজৰ ম্যাদী ভূমিৰ ৯ বিঘা খেতিৰ মাটিৰ এতিয়া সংকুচিত পৰ্যায়ত ৫জন ককাই-ভাইৰ মাজতহে ডেৰ বিঘাত খেতি কৰিব পৰা উৰ্বৰ ভূমি হৈ আছে। যোৱা সোতৰ বছৰে খেতি কৰিব নোৱৰাৰ মূল কাৰণ হ'ল নাগালেণ্ডৰ পাহাৰত কয়লাৰ অবাধ খনন আৰু খননৰ পিছত ভৈয়ামলৈ বৈ অহা কয়লাৰ সাৰ, গন্ধক মিহলি ৰঙীণ বোকাময় পানী। ইয়েই নদীকেইখন তৰপ সৃষ্টি কৰি পুতি পেলাইছে। 'কয়লাৰ বোকাময় পানীয়েই পথাৰবোৰ অনুৰ্বৰা কৰি তুলি এতিয়া কেৱল জলাশয়ৰ মাজে মাজে ঘাঁহনিৰ সৃষ্টি কৰিছে। নিজ ম্যাদী ভূমিৰ সকলো খেতিৰ মাটিয়েই কয়লা খননৰ এনে বিৰূপ প্ৰভাৱৰ প্ৰদূষণত পৰিল বুলি আঙুলিয়াই দি মূৰে-কঁপালে হাত দিছে কৃষক ৰাজীৱ গগৈয়ে। ন-পুখুৰী গাঁও পঞ্চায়ত এলেকাত তেওঁ এই প্ৰতিবেদকক দেখনা নদী আৰু ডেঙ্গী দুই নদী মিলিত হোৱা স্থান প্ৰদৰ্শন কৰি সুঁতিৰ কাষত থিয় হৈ এফালে গেলেকী মৰাণ গাঁও আৰু আনফালে গেলেকী লাহন গাঁৱৰ পথাৰ কিদৰে পৰিত্যক্ত হৈ পৰিছে তাৰ বাস্তৱ ছবিখন চকুৰে মণিব পৰাকৈ তুলি ধৰিবলৈ চেষ্টা কৰে। নিজৰ বিশাল খেতিৰ মাটি অনুৰ্বৰ আৰু প্ৰদূষিত হৈ পৰা পৰিস্থিতিত অৱসৰপ্ৰাপ্ত শিক্ষক তনু গগৈয়ে কয় যে এতিয়া নদীৰ যি সামান্য অস্তিত্ব আছেগৈ সেই নদী এতিয়া খননৰ বাবে দাবী উত্থাপন হৈছে। নদীৰ শীঘ্ৰেই খনন হ'লেও তাক সুপৰিকল্পনাৰে প্ৰকল্পমূলক ৰূপায়ণ ঘটালেহে জনসাধাৰণ উপকৃত হ'ব। দেখনা, ডেঙ্গী, ইশ্বৈ এই তিনি নদীৰ উৎস স্থলেই ক্ৰমে নাগালেণ্ডৰ ন-চাংবস্তি, এনাকী বস্তি আৰু ইশ্বৈ নদীও ক্ষুদ্ৰ নদী হিচাপে এনাকী বস্তিৰ পৰা উদ্ভৱ হৈ কেউখনেই নামদাং নৈত মিলিত হৈছে । ইফালে নামদাং নদীৰো উদ্ভৱ স্থল নাগা ৰাজ্যৰ ন-চাং বস্তি। এক অৰ্থত নাগালেণ্ডত কয়লাৰ অবাধ খনন ৰোধ নোহোৱালৈকে নদীৰ প্ৰদূষণ গেলেকীতো অব্যাহত থাকিব আৰু তৰপে তৰপে কয়লাৰ প্ৰদূষিত বোকা পানী গেলেকী অভিমুখে বৈয়েই থাকিব। এই ক্ষেত্ৰত স্থানীয় গাঁওবাসী ৰাইজৰ মতে দেখনা, ডেঙ্গী, ইশ্বৈ আদি পোত যাবলৈ ধৰা নদীকেইখন বোৱাই ৰাখিবলৈ প্ৰথমেই ঘাই নদী নামদাঙত তলৰ ফালে খনন কৰাৰ লগতে মথাউৰিৰ নিৰ্মাণ কৰিব লাগিব। আনহাতে, নাগালেণ্ডত নিৰ্দিষ্ট সুৰক্ষা বিধি অনুসৰিহে কয়লা খনন কৰি এইকেইখন নদীলৈ প্ৰদূষিত কয়লাৰ বোকা প্ৰৱাহ ৰোধ কৰিব পাৰিলে নদীকেইখন সুৰক্ষিত হৈ উঠিব বুলি কৃষক ৰাইজে মত পোষণ কৰে। ইফালে নাগালেণ্ডৰ ইংলক, নামচাং, এনাকী, লুচাইপানী এলেকাত অবাধ গতিত পাহাৰ খান্দি কয়লা খনন অব্যাহত ৰাখিছে। ইয়াৰ ফলত নগা পাহাৰৰ সৌন্দৰ্যত আঘাত কৰাৰ উপৰি কয়লা খনন কৰা স্থানৰ পাহাৰৰ পৰা প্ৰবাহিত হোৱা নামদাং, ঈশ্বৈ, ডেঙ্গী, দৈ-খনা নদীত খননস্থলীৰ মাটি পৰি নদীৰ গভীৰত হ্ৰাস হৈ পৰিছে। যাৰ ফলত সীমান্তৱৰ্তী এলেকা কৃত্ৰিম বানত ডুব গৈ জনগণে যমৰ যাতনা ভোগ কৰি আহিছে । তেনে পৰিস্থিতিত অসম চৰকাৰে সম্প্ৰতি বহু কোটি টকা ব্যয় কৰি নদীকেইখন খনন কাৰ্য আৰম্ভ কৰিছে যদিও নাগালেণ্ডৰ পাহাৰৰ কয়লা খননস্থলীৰ মাটিয়ে অহৰহভাৱে পূৰ্ণ হৈ পৰাত অসম চৰকাৰৰ কোটি কোটি টকা অপচয় হোৱাটো নিশ্চিত হৈ পৰিছে আৰু চৰকাৰৰ বহু কোটিটকীয়া আঁচনি চৰম প্ৰহসনত পৰিণত হোৱাৰ দিশত অগ্ৰসৰ হৈছে। জনগণে এই কয়লাৰ অবাধ খনন আৰু পাহাৰৰ ভূখণ্ড অবাধ খনন ৰোধ কৰিবৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰক দাবী জনাইছে।

তামুলপুৰত হাতী-মানুহৰ সংঘাতে লৈছে ভয়ংকৰ ৰূপ

বিগত এমাহত চাৰিগৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে এগৰাকী চিকিৎসাধীন

দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ১ ডিচেম্বৰ ঃ তামুলপুৰ জিলাৰ ভাৰত-ভুটান সীমান্তৰ চেঁচাপানীৰ কুঁহিপাৰত বনৰীয়া হাতীৰ আক্ৰমণত এজন লোক নিহত হয়। নিহত লোকজন হ'ল কুঁহিপাৰ গাঁৱৰ বড়োচা বসুমতাৰী (২৪)। ঘটনাৰ বিৱৰণী মতে আজি নিশা বড়োচা বসুমতাৰীয়ে গাঁৱৰ স্থানীয় লোকৰ সৈতে বনৰীয়া হাতীৰ এটা বৃহৎ জাক খেদিবলৈ গৈছিল। তেনে সময়তে অতৰ্কিতে অকলশৰীয়া এটা বনৰীয়া হাতীয়ে আক্ৰমণ কৰাত থিতাতে নিহত হয় বড়োচা বসুমতাৰী নামৰ লোকজন। বড়োচা বসুমতাৰী নামৰ লোকজন বনৰীয়া হাতীৰ আক্ৰমণ নিহত হোৱাৰ খবৰ লাভ কৰাৰ লগে লগে ঘটনাস্থলীত কুমাৰীকাটা আৰক্ষী চকীৰ আৰক্ষী, কুমাৰীকাটা বন বিভাগৰ লোক উপস্থিত হৈ নিহত লোকজনৰ মৃতদেহ উদ্ধাৰ কৰি তামুলপুৰ আৰক্ষী চকীলৈ আনে। উল্লেখ্য যে ভাৰত-ভুটান সীমান্তত ভয়াৱহ ৰূপ লৈছে বনৰীয়া হাতী আৰু মানুহৰ সংঘাতে। বিগত প্ৰায় কেইবামাহ ধৰি হাতী-মানুহৰ সংঘাতত দিশহাৰা হৈ পৰিছে কৃষক আৰু সৰ্বসাধাৰণ ৰাইজ। পাহাৰত খাদ্যৰ অভাৱত ভোগা শ শ বনৰীয়া হাতীয়ে পোৱালিসহ খাদ্যৰ সন্ধানত পাহাৰৰ পৰা নামি আহি দীৰ্ঘদিন ধৰি ভূটান সীমান্তৰ কুমাৰীকাটা, আওঁৰকাটা, চেঁচাপানী, ১নং পাহাৰপুৰ, পাটকীজুলি আদি অঞ্চলত আশ্ৰয় লৈ নিশা হাতীৰ জাকসমূহ সৰু সৰু ভাগত বিভক্ত হৈ গ্ৰামাঞ্চলত প্ৰৱেশ কৰি মানুহৰ ঘৰ-দুৱাৰ ভাঙি, মানুহক হত্যা কৰি অবিৰতভাৱে চলাইছে তাণ্ডৱ। গঞা ৰাইজে ফটকা ফুটাই, কাঁহী-বাতি, টিন বজাই, জুই জ্বলাই হাতীৰ জাকক খেদিবলৈ চেষ্টা চলায় যদিও বনৰীয়া হাতীৰ জাকটোক খেদিবলৈ অসমৰ্থ হয়। স্থানীয় ৰাইজৰ দাবী- বনৰীয়া হাতীৰ জাকটো উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰি খেদি পঠিয়াবলৈ চৰকাৰ তথা বন বিভাগক আহ্বান জনাইছে। আনহাতে, বনৰীয়া হাতীৰ আক্ৰমণত ভূটান সীমান্তৰ ১নং পাহাৰপুৰত ১১ নৱেম্বৰৰ নিশা ৰাণী হাজদা আৰু পৰমেশ্বৰ বাস্কে নামৰ দুগৰাকী লোক নিহত হোৱাৰ লগতে ২৭ নৱেম্বৰৰ পুৱতি নিশা আওঁৰকাটাৰ মুনিন্দ্ৰ বৰ্মন নামৰ এগৰাকী লোকো বনৰীয়া হাতীৰ আক্ৰমণত নিহত হয়। তদুপৰি বনৰীয়া হাতী খেদিবলৈ যাওঁতে পাটকীজুলিৰ মিজু বসুমতাৰী নামৰ এগৰাকী লোক গুৰুত্বভাৱে আহত হৈ জীৱন-মৃত্যুৰ সৈতে চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে।

দিল্লীত শীতকালীন অধিৱেশনত ভাগ লোৱাৰ সময়ত গৌৰৱ গগৈৰ গুৰুত্বপূৰ্ণ মন্তব্য

দৈনন্দিন বাৰ্তাৰ সেৱা, ১ ডিচেম্বৰ ঃ ৬ জনগোষ্ঠীৰ জনজাতিকৰণৰ ক্ষেত্ৰত হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ কোনো আন্তৰিকতা নাই। আমি কংগ্ৰেছ দলে অসমৰ অন্যান্য জনজাতিৰ লোকসকলৰ ক্ষতি নোহোৱাকৈ ৬ জনগোষ্ঠীৰ জনজাতিৰ মৰ্যাদা আৰু সা-সুবিধা লাভ কৰাতো বিচাৰো। কিন্তু মন্ত্ৰী গোটৰ প্ৰতিবেদনত বিভাজনৰ ৰাজনীতিহে প্ৰতিফলিত হৈছে। ৬ জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰতিবেদন সন্দৰ্ভত আজি নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি এইদৰে কয় অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি গৌৰৱ গগৈয়ে। লোকসভাৰ শীতকালীন অধিৱেশনৰ বাবে দিল্লীত ব্যস্ত থকা অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতিগৰাকীয়ে কয় যে অসমৰ আন আন জনজাতিৰ লোকৰ নেতৃত্বয়ো ৬ জনগোষ্ঠীয়ে জনজাতিৰ সা-সুবিধা লাভ কৰাতো বিচাৰিছে। তেনেস্থলত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মন্ত্ৰী গোটৰ প্ৰতিবেদনৰ জৰিয়তে ৬ জনগোষ্ঠীৰ মাজত বিভাজন অনাৰহে অপচেষ্টা চলাইছে। 'অসমৰ মুখ্যমন্ত্ৰীৰ ৬ জনগোষ্ঠীৰ জনজাতিকৰণক লৈ কোনো সদিচ্ছা নাই। তেওঁ কেৱল বিভাজনৰ ৰাজনীতি কৰিব বিচাৰিছে আৰু জনজাতীয় লোকসকলৰ মাটি আদানি-আম্বানিক গতাই দিয়াৰ অভিসন্ধি ৰচিছে।' — শীতকালীন অধিৱেশনত ভাগ ল'বলৈ যোৱাৰ প্ৰাক্‌ক্ষণত আজি এইদৰে কয় লোকসভাৰ বিৰোধী দলৰ উপ-দলপতি তথা অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতিগৰাকীয়ে। কংগ্ৰেছৰ যদি প্ৰস্তাৱ আছে সেয়া চৰকাৰক দিলেই হ'ল বুলি মুখ্যমন্ত্ৰীয়ে কৰা মন্তব্য সন্দৰ্ভত গগৈয়ে কয়— 'প্ৰথমে লিখিতভাৱে আমাক জনাওক। এখন সৰ্বদলীয় কমিটী গঠন কৰক। পিছে এইখিনিতো তেওঁ নকৰে। তেওঁ নিজকে সকলোতকৈ বুদ্ধিমান বুলি ভাবে। এতিয়া ৰাইজে দেখা পালে যে তেওঁ নিজকে যিমান জ্ঞানী বুলি ভাবে আচলতে সিমান জ্ঞানী নহয়। যদি তেওঁ সকলোৱে ৰায় ল'ব বিচাৰে তেন্তে সৰ্বদলীয় বৈঠকৰ আহ্বান কৰক, বিধানসভাত ইয়াৰ চৰ্চা কৰক। কিন্তু সেয়াতো নকৰিলে। কৌশলেৰে বিধানসভাৰ অধিৱেশনৰ অন্তিম দিনাহে সেয়া দিলে।' এজন জনজাতীয় নেতাক অন্যায় কৰিহে হিমন্ত বিশ্ব শৰ্মা মুখ্যমন্ত্ৰী হৈছে বুলিও কয় গগৈয়ে। গগৈয়ে আৰু কয় যে কেন্দ্ৰ চৰকাৰে শীতকালীন অধিৱেশনত কি কি বিধেয়ক উত্থাপন কৰিবলৈ ওলাইছে সেই সম্পৰ্কে চমু আভাস লাভ কৰিবলৈ সমৰ্থ হৈছে যদিও সেই তালিকাত অসমৰ ৬ জনগোষ্ঠীৰ জনজাতিকৰণ বিষয়ক কোনো বিধেয়কৰ কথাৰ উল্লেখ নাই। ইফালে, জুবিন গাৰ্গৰ হত্যাকাৰী সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত সভাপতিজনে কয় যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শ্যামকানু মহন্তক বচাবৰ বাবে এজনেই হত্যাকাৰী বুলি ঘোষণা কৰিছে। এজনেই হত্যাকাৰী বুলি যদি তেওঁ জানে কোন সেয়া প্ৰকাশ কৰক বুলি উল্লেখ কৰি গগৈয়ে কয় যে জুবিন গাৰ্গে প্ৰকৃততে ন্যায় পাবনে নাই সন্দেহ আছে।

নিবিদা জাননী নং. ২০/২০২৫ তাৰিখঃ ২৬-১১-২০২৫ ৰ বিপৰীতে সংশোধনী

জাননী নং. ২০/২০২৫ তাৰিখঃ ২৬-১১-২০২৫ যোগে বিজ্ঞাপিত নিবিদা নং. ০১২৫৫০৭৬এ মুকলিৰ তাৰিখ অনুগ্ৰহ কৰি নিম্ন অনুসাৰে পঢ়ে যেনঃ

আইটেম	বিদ্যমান মূল্য	সংশোধিত মূল্য
সামগ্ৰীৰ ডেলিভেৰি	বিদ্যমান	সামগ্ৰীৰ ডেলিভেৰি- যোগানদাতাই প্ৰাপকৰ স্থান পৰ্যন্ত অৰ্ডাৰ কৰা সামগ্ৰী প্ৰদান কৰা আৱশ্যক। ড্ৰয়িং অনুসাৰে এই প্ৰক্ৰিয়াত উডেন পেকিঙৰ ব্যয় তত্ত্বাৱধানৰ ব্যয় সহিত চামিল থাকিব, যি ঠিকাদাৰে বহন কৰিব লাগিব। ইয়াত হোৱা যিকোনো পাৰ্থক্যৰ বাবে ইয়াক অসহঁাৰিজনক ৰূপে গণ্য কৰা হব আৰু এনে প্ৰস্তাৱ সংক্ষেপে অগ্ৰাহ্য কৰা হব। নিবিদাৰ সৈতে সংলগ্ন বিশেষ শ্লীপাৱৰ নিবিদা চৰ্তাৱলী পেৰা ১৮.১ ৰ উল্লেখ চাওঁক।
প্ৰেৰণ	বিদ্যমান	প্ৰেৰক- বিশেষ শ্লীপাৱৰ নিবিদা চৰ্তাৱলী পেৰা ১৮.১ অনুসাৰে।

নোটঃ জাননী আৰু নিবিদা প্ৰ-পত্ৰৰ সম্পূৰ্ণ তথ্যৰ বাবে নিবিদাকাৰীসকলে (www.ireps.gov.in) ৱেবচাইটত লগ অন কৰিব পাৰিব। প্ৰত্যাশিত ডাকোতাসকলে যি উপৰোক্ত নিবিদাত অংশগ্ৰহণ কৰিব বিচাৰে, যদি তেওঁলোক ইতিমধ্যে **আইআৰইপিএচ** ৱেবচাইটত পঞ্জীয়নভুক্ত হয়, তেনেহলে তেওঁলোকে উপৰোক্ত ৱেবচাইটত নিজে লগ অন কৰিব লাগিব আৰু ইলেক্ট্ৰনিক্লেলি তেওঁলোকৰ প্ৰস্তাৱ দাখিল কৰিব লাগিব। যদি তেওঁলোকে **আইআৰইপিএচত** পঞ্জীয়ন কৰা নাই, তেতিয়াহলে ভাৰত চৰকাৰৰ আইটি এক্ট ২০০০ অৰ অধীনত অনুমোদিত এজেন্সীৰ পৰা ক্লাচ-III ডিজিটেল চিগনেচাৰ প্ৰাপ্ত কৰাৰ বাবে আৰু উপৰোক্ত নিবিদাত অংশগ্ৰহণ কৰাৰ বাবে তওঁলোকক পৰামৰ্শ দিয়া হল।

পিচিএমএম/চিঅ'এন/মালিগাঁও

উত্তৰ পূব সীমান্ত ৰেলৱে
(নিৰ্মাণ সংস্থা)
"হাঁহিমুখে গ্ৰাহকলৈ সেৱা"

বৰপেটাৰোডত ৰে'লৰ পৰা পৰি নিহত ১

দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটাৰোড, ১ ডিচেম্বৰ ঃ নামনি অসমৰ বাণিজ্যিকপ্ৰধান চহৰ বৰপেটাৰোডৰ ৰে'লৱে গে'টৰ ওচৰত আজি কাহিলি পুৱাৰ ভাগত এটি মৃতদেহ উদ্ধাৰ হোৱা ঘটনাই ৰাইজৰ মাজত তীব্ৰ চাঞ্চল্যকৰ সৃষ্টি হৈছে। ৰে'ল আৰক্ষীয়ে উজনিমুৱা যাত্ৰীবাহী ৰে'লৰ পৰা লোকজন পৰি মৃত্যু ঘটা বুলি ধাৰণা কৰা হৈছে। বৰপেটাৰোড ৰে'ল আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে বৰপেটা ফকুৰুদ্দিন আলী আহমেদ মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰা বুলি জানিব পৰা গৈছে। বৰ্তমানলৈকে মৃতদেহটোৰ পৰিচয় উদ্ধাৰ হোৱা নাই।

৬ জনগোষ্ঠীৰ জনজাতিকৰণ ঃ চৰকাৰৰ সমালোচনাত মুখৰ লুৰীণজ্যোতি গগৈ

দৈন্দিন বাৰ্তাৰ বিশেষ সেৱা, ১ ডিচেম্বৰ ঃ সমগ্ৰ ৰাজ্যতে এতিয়া ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰসংগক লৈ উত্তেজনাৰ সৃষ্টি হৈছে। ৰাজ্যৰ বিভিন্ন দল-সংগঠনে ছয় জনগোষ্ঠীৰ জনজাতিকৰণক লৈ চৰকাৰক ক্ষুৰধাৰ সমালোচনা কৰিছে। এনে সময়তে বহি থকা নাই অসম জাতীয় পৰিষদো। শেহতীয়াকৈ ৬ জনগোষ্ঠীক জনজাতিকৰণ সন্দৰ্ভত বিধানসভাত দাখিল কৰা মন্ত্ৰী গোটৰ প্ৰতিবেদন এক প্ৰহসন বুলি কয় অসম জাতীয় পৰিষদে। সোমবাৰে অজাপৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে এই বিষয়ক লৈ সংবাদ মেল সম্বোধন কৰে। গগৈয়ে কয়— 'যোৱা ছবছৰে ৰাজ্যসভাত পৰি আছে সংবিধানৰ সংশোধনী বিধেয়ক। এতিয়া এইটো নিৰ্বাচনী ললিপপ। ৬ জনগোষ্ঠীৰ জনজাতিকৰণৰ নামত অসমবাসীক টুপী পিন্ধাইছে হিমন্ত বিশ্ব শৰ্মা চৰকাৰে।' গগৈয়ে লগতে কয়, 'মন্ত্ৰী গোটৰ প্ৰতিবেদন দাখিল কৰি ৬ জনগোষ্ঠীৰ জনজাতিকৰণৰ পথ মুকলি হ'ল আৰু শীঘ্ৰেই জনজাতিকৰণ হৈ যাব বুলি ৰাজ্য চৰকাৰে দাবী কৰিছে। স্বয়ং মুখ্যমন্ত্ৰীয়ে অসম বিধানসভাত এই দাবী কৰিছে। কিন্তু চৰকাৰ/মুখ্যমন্ত্ৰীৰ এই দাবী অমূলক, অবাস্তৱ। বৰং এয়া আগন্তুক বিধানসভা নিৰ্বাচনৰ পূৰ্বে বিজেপি চৰকাৰে ৰাইজক প্ৰদান কৰা এক ৰাজনৈতিক ললিপপৰ বাহিৰে আন একো নহয়।' তেওঁ কয় যে, অসমত ৬ জনগোষ্ঠীৰ জনজাতিকৰণৰ দাবী বহু পুৰণি তৰুণ গগৈ চৰকাৰৰ দিনত, ২৪ নৱেম্বৰ ২০০৭ তাৰিখে, এইটো দাবী কৰিবলৈ অহা লক্ষ্মী ওৰাং নামৰ এগৰাকী মহিলা বিবস্ত্ৰ হোৱাৰ ঘটনাই অসমবাসীক বিশ্বৰ আগত লজ্জাৱনত কৰোৱাইছিল। ১৯৬০ চনত কোচ ৰাজবংশী সম্প্ৰদায়ৰ পৰা এই দাবী প্ৰথম উত্থাপিত হৈছিল। গগৈৰ মতে, '২০১৫ চনৰ মাৰ্চ মাহত অনুষ্ঠিত হোৱা অসম বিধানসভাৰ বাজেট অধিৱেশনত আগবঢ়োৱা বক্তৃতাত তেতিয়াৰ মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে ৬ জনগোষ্ঠীৰ জনজাতিকৰণৰ ব্যৱস্থা হাতত ল'বলৈ অসম বিধানসভাৰ পৰাই কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনাইছিল। সেই বছৰেই ২৪ নৱেম্বৰত তৰুণ গগৈয়ে ভাৰতৰ প্ৰধানমন্ত্ৰীক সাক্ষাৎ কৰি ৬ জনগোষ্ঠীৰ জনজাতিকৰণৰ দাবীৰে স্মাৰক-পত্ৰ দিছিল।' ইফালে, বিজেপি দলে ২০১৬ চনৰ নিৰ্বাচনৰ পূৰ্বে প্ৰকাশ কৰা 'দৃষ্টিপত্ৰ ২০১৬-২৫'ত ৬ জনগোষ্ঠীক নিৰ্ধাৰিত সময়ৰ ভিতৰত (অৰ্থাৎ ২০১৬ৰ পৰা ২০২৫ৰ ভিতৰত) জনজাতিকৰণৰ আশ্বাস দিছিল বুলিও উল্লেখ কৰিছে লুৰীণজ্যোতি গগৈয়ে। তেওঁ কয়, '২০১৬ত বিজেপিৰ চৰকাৰ গঠন হোৱাৰ পূৰ্বেই, অৰ্থাৎ নিৰ্বাচনৰ আগে আগে, ২৯ ফেব্ৰুৱাৰী, ২০১৬ তাৰিখে কেন্দ্ৰীয় চৰকাৰে অসমৰ ৬ জনগোষ্ঠীৰ জনজাতিকৰণৰ আৰ্হি প্ৰস্তুত কৰিবলৈ কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ বিশেষ সচিব মহেশ কুমাৰ চিংলাৰ নেতৃত্বত এখন কমিটী গঠন কৰি দিয়ে।' 'উক্ত কমিটীক অসম চৰকাৰ, এনচিএছটি আৰু আৰজিআইৰ সৈতে আলোচনা সাপেক্ষে দায়িত্ব সম্পাদন কৰিবলৈ কৰ্তৃত্ব প্ৰদান কৰা হয়। চিংলা কমিটীক ২০১৬ চনৰ ৩১ মে'ৰ পূৰ্বে প্ৰতিবেদন দাখিল কৰিবলৈ কোৱা হৈছিল যদিও অসমৰ লখিমপুৰ লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত প্ৰতিবেদন দাখিলৰ সময়সীমা ২০১৬ চনৰ নৱেম্বৰ মাহলৈ বৃদ্ধি কৰা হয়।' সংবাদ মেলত এই কথা উল্লেখ কৰিছে অজাপৰ নেতাগৰাকীয়ে। একে সময়তে তেওঁ কয়— 'চিংলা কমিটীৰ প্ৰতিবেদন আৰু অন্য আনুষ্ঠানিকতা সম্পাদনৰ পিছত ভাৰত চৰকাৰৰ কেবিনেটে ৮ নৱেম্বৰ ২০১৯ তাৰিখে অসমৰ ৬ জনগোষ্ঠীৰ জনজাতিকৰণৰ প্ৰস্তাৱত অনুমোদন জনায়। নিয়ম অনুসৰি নিশ্চয়কৈ এনচিএছটি আৰু আৰজিআয়ে অনুমোদন জনাইছে। নহ'লে প্ৰস্তাৱটো গৈ কেন্দ্ৰীয় কেবিনেট নাপালেগৈহেঁতেন। ৯ নৱেম্বৰ ২০১৯ তাৰিখে ভাৰত চৰকাৰে অসমৰ ৬ জনগোষ্ঠীক ভাৰতৰ অনুসূচিত জনজাতিৰ তালিকাভুক্ত কৰাৰ প্ৰস্তাৱেৰে সংবিধান সংশোধনী বিধেয়ক সংসদৰ উচ্চ সদন ৰাজ্যসভাত উত্থাপন কৰে।' তেওঁ কয় যে, কেন্দ্ৰীয় চৰকাৰে ৬ জনগোষ্ঠীক অনুসূচিত জনজাতিৰ তালিকাভুক্ত কৰাৰ মানসেৰেই সংসদত উল্লিখিত সংবিধান সংশোধনী বিধেয়ক উত্থাপন কৰিছিল। বিধেয়কখন বৰ্তমানলৈ ৰাজ্যসভাৰ মজিয়াত আলোচনা/বিতৰ্ক নোহোৱাকৈ পৰি আছে।

মৰিগাঁৱত তিনি ধৰ্ষণকাৰী লম্পটক পকছ' আইনত ২০ বছৰকৈ সশ্ৰম কাৰাদণ্ড

দৈনন্দিন বাৰ্তাৰ সেৱা, ভুৰাগাঁও, ১ ডিচেম্বৰ ঃ মৰিগাঁও পকছ' আদালতে দোষী সাব্যস্ত কৰি ২০ বছৰকৈ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰিলে তিনি ধৰ্ষণকাৰীক। ২০২৪ চনৰ আগষ্টত মৰিগাঁও মিকিৰভেটা থানাৰ অন্তৰ্গত এগৰাকী কিশোৰীক প্ৰলোভনেৰে গুৱাহাটীলৈ নি কেইবাদিনো আবদ্ধ কৰি দলবদ্ধভাৱে ধৰ্ষণ কৰিছিল তিনি যুৱকে। পৰৱৰ্তী সময়ত কিশোৰীগৰাকীৰ পৰিয়ালৰ অভিযোগৰ ভিত্তিত মিকিৰভেটা আৰক্ষীয়ে ১২১/২৪ নম্বৰ এটা গোচৰ ৰুজু কৰি আৰম্ভ কৰে তদন্ত। আৰক্ষীৰ তদন্তৰ প্ৰতিবেদনৰ ভিত্তিত মৰিগাঁও পকছ' আদালতে বিচাৰ চলাই ৰাজিবুল হক, মান্নান আলী আৰু চমেদ আলীক দোষী সাব্যস্ত কৰি ২০ বছৰকৈ কাৰাদণ্ড বিহে।

প্ৰপত্ৰ নং আইএনচি-২৬
(নিয়ম ৩০ অনুসৰি কোম্পানী (নিগম) নিয়ম, ২০১৪)
কোম্পানীৰ পঞ্জীয়নভুক্ত কাৰ্যালয়
"**অসম ৰাজ্য**"ৰ পৰা "**মহাৰাষ্ট্ৰ ৰাজ্য**"লৈ পৰিবৰ্তনৰ বাবে বিজ্ঞাপন
কেন্দ্ৰীয় চৰকাৰ/আঞ্চলিক সঞ্চালক, পূৰ্বাঞ্চলৰ সন্মুখত
কোম্পানী আইন, ২০১৩ৰ ধাৰা ১৩ৰ উপ-ধাৰা (৪) আৰু কোম্পানী (নিগম) নিয়ম, ২০১৪ৰ নিয়ম ৩০ৰ উপ-নিয়ম ৫ৰ দফা (ক)ৰ ক্ষেত্ৰত
আৰু
বিজয় হংস লিমিটেড (চিআইএন- L51909AS1985PLC002323) ৰ বিষয়ত যাৰ পঞ্জীকৃত কাৰ্যালয় হ'ল নিৰ্বাণা কো ৱৰ্কিং স্পেচেছ, মেজেনিন ফ্ল'ৰ, ইটাগ প্লাজা, এবিচি, জি এছ ৰোড, গুৱাহাটী, দিছপুৰ, কামৰূপ, জিএমচি, অসম, ভাৰত, ৭৮১০০৫।
..... আবেদনকাৰী/পেটিচনাৰ

এই জাননীৰ জৰিয়তে সাধাৰণ জনতাৰ সন্মুখত অৱগত কৰা হৈছে যে কোম্পানীৰ দ্বাৰা "কোম্পানী আইন, ২০১৩"ৰ ধাৰা ১৩ অনুসৰি কেন্দ্ৰীয় চৰকাৰ/আঞ্চলিক সঞ্চালক, পূৰ্বাঞ্চল মহোদয়ৰ সন্মুখত আবেদন দাখিল কৰাৰ প্ৰস্তাৱ দিয়া হৈছে। উক্ত আবেদন এক্সট্ৰা অৰ্ডিনেৰী সাধাৰণ বৈঠকত ২৮ নৱেম্বৰ, ২০২৫ তাৰিখে গৃহীত বিশেষ সিদ্ধান্ত অনুসৰি কোম্পানীৰ মেম'ৰেণ্ডাম অৱ এছ'চিয়েচনৰ পৰিৱৰ্তনৰ অনুমোদন লাভৰ বাবে কৰা হ'ব, যাতে কোম্পানীয়ে নিজৰ মুখ্য কাৰ্যালয় "**অসম ৰাজ্যৰ পৰা**" "**মহাৰাষ্ট্ৰ ৰাজ্যলৈ**" স্থানান্তৰ কৰিব পাৰে।

কোনো ব্যক্তি যাৰ স্বাৰ্থ এই বিজ্ঞপ্তিৰ অনুসৰি কোম্পানীৰ পঞ্জীকৃত মুখ্য কাৰ্যালয় স্থানান্তৰৰ প্ৰস্তাৱৰ দ্বাৰা প্ৰভাৱিত হ'ব পাৰে, **তেনে ব্যক্তিয়ে এমচিএ-২১ প'ৰ্টেল (www.mca.gov.in) ত বা বিনিয়োগকাৰী অভিযোগ ফৰ্ম দাখিল কৰি** বা শপথপত্ৰ সংলগ্ন কৰি, নিজৰ স্বাৰ্থৰ প্ৰকৃতি আৰু আপত্তিৰ কাৰণ উল্লেখ কৰি, **আঞ্চলিক সঞ্চালক, পূৰ্বাঞ্চল, কৰ্প'ৰেট ভৱন, প্লট নং আইআইএফ/১৬, একচন এৰীয়া-III, প্ৰাংগন নং ০৫০৮৫২, আকান্দকেশৰী, নিউ টাউন, ৰাজাৰহাট, কলকাতা— ৭০০১৩৫** এই ঠিকনাত ব্যক্তিগতভাৱে বা ৰেজিষ্টাৰ্ড ডাকযোগে পঠিয়াব পাৰে। এই বিজ্ঞপ্তি প্ৰকাশৰ তাৰিখৰ পৰা চৌধ্য দিনৰ ভিতৰত উক্ত আপত্তি দাখিল হব লাগিব লগতে আবেদনকাৰী কোম্পানীৰ পঞ্জীকৃত কাৰ্যালয়- নিৰ্বাণা কো ৱৰ্কিং স্পেচেছ, মেজেনিন ফ্ল'ৰ, ইটাগ প্লাজা, এবিচি, জি এছ ৰোড, গুৱাহাটী, দিছপুৰ, কামৰূপ, জিএমচি, অসম, ভাৰত, ৭৮১০০৫, **ইমেইল ঃ compliance@arvayahealth.com** এই ঠিকনাত এক প্ৰতিলিপি প্ৰেৰণ কৰিব লাগিব।

বিজয় হংস লিমিটেডৰ হৈ
স্বা/-
কৌশল উত্তম শ্বাহ
পৰিচালন সঞ্চালক
ডিআইএন ঃ ০২১৭৫১৩০

স্থান ঃ গুৱাহাটী
তাৰিখ ঃ ০১.১২.২০২৫